**FAS-01**

**K–40**

Total No. of Questions : 8] [Total No. of Printed Pages : 7

**BDP / BCA / BTS**

**Term-End Examination**
**June, 2014**

# FAS-01 : FOUNDATION COURSE IN ASSAMESE

**Time : 2 Hours]** **[Maximum Marks : 50**

প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক-

ক- শাখা

1. সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক- 1 x 5= 5
   (a) বৈশেষিক দৰ্শনৰ প্ৰৱৰ্ত্তক কোন?
   (b) সত্ৰীয়া চিত্ৰকলাৰ জন্ম কোনে দিছিল?
   (c) ভাৰত বুৰঞ্জীত কোন যুগক সোণালী যুগ আখ্যা দিয়া হয়?
   (d) কম্পিউটাৰৰ প্ৰধান উপাদান কেইবিধ?
   (e) মানুহৰ অধিকাৰসমূহক প্ৰধানকৈ কেইটা ভাগত ভগাব পাৰি? সেয়া কি কি?

Turn Over

2. তলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (√) দিয়ক- 5 x

(a) গান্ধাৰ শিল্পকলা গঢ় লৈ উঠিছিল-

(i) গুপ্ত যুগত

(ii) কুষাণ যুগত

(iii) মৌৰ্য যুগত

(b) ঋক-বৈদিক যুগত আৰ্যসকল আছিল

(i) প্ৰকৃতিৰ উপাসক

(ii) মূৰ্তি উপাসক

(iii) সৰ্প উপাসক

(c) 'হোমৰুল' আন্দোলনৰ গুৰি ব'ঠা ধৰিছিল-

(i) বিপিন পাল দাসে

(ii) মহাত্মা গান্ধীয়ে

(iii) বাল গংগাধৰ তিলকে

অথবা

প্ৰসংগৰ সংগতি দৰ্শাই ব্যাখ্যা কৰক-

এইবেলি ছে-লা'ৰ পতন শুনি
তোমালোক পলালা যিদিনা খোচোনাত চিকাৰৰূপ লৈ
সিদিনা নিশাই পালোঁ বিজুলী- ডাকত
মোৰ ভাইটো মৰাৰ খবৰ
নাম তাৰ
তাৰ নাম নালাগে জানিব তুমি
লাডাখৰ হিমচেঁচা বৰফত বৈ গ'ল- এজোলোকা তেজ
কপিলী পাৰৰ এই বীৰ বংশৰ
আইতাই উলাহতে নামটো দিছিল তাৰ- গদাধৰ সিং
গদাধৰ সি যে মোৰ একেটি মাথোন ভাই
শুলে শিল হৈ সুদূৰ লাডাখ প্ৰান্তত।

4. যিকোনো পাঁচটা প্ৰশ্নৰ সংক্ষেপে উত্তৰ লিখক- 2 x 5= 10

(a) কোন সময়ত সত্ৰীয়া চিত্ৰকলাৰ চৰম উৎকৰ্ষ সাধন হয়?

(d) গণতন্ত্ৰৰ মূল চালিকা শক্তি হৈছে-

(i) প্ৰশাসকসকল

(ii) ন্যায়পালিকাসকল

(iii) নাগৰিকসকল

(e) তলৰ কোনখন সচিত্ৰ পুথি নহয়-

(i) হস্তীবিদ্যাৰ্ণৱ

(ii) আনন্দ লহৰী

(iii) প্ৰহ্লাদ চৰিত্ৰ

3. উষাৰ সপোনৰ স্বামীক বিচাৰি উলিয়াবলৈ চিত্ৰলেখাই কাৰ কাৰ ছবি অংকন কৰি উষাক দেখুৱাইছে আৰু উষাৰ প্ৰতিক্ৰিয়া কেনে হৈছে বৰ্ণনা কৰক। 5

(b) নাগৰিক শব্দৰ প্ৰকৃত অৰ্থ কি?

(c) ন্যায় দৰ্শনৰ প্ৰতিষ্ঠাতা কোন? এই দৰ্শনে কিহৰ ওপৰত প্ৰাধান্য দিয়ে?

(d) স্বাধীনোত্তৰ কালত ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বঢ়াৰ কাৰণ কি কি?

(e) কেঞ্চাৰ ৰোগৰ বিস্তাৰ কি দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰে?

(f) ভাৰতৰ বাহিৰৰ কোনবোৰ অঞ্চলক ভাৰতীয় ভাস্কৰ্য-স্থাপত্যই প্ৰভাৱান্বিত কৰিছিল?

(g) মানুহৰ খাদ্যাভ্যাস প্ৰধানকৈ কিহৰ ওপৰত নিৰ্ভৰ কৰে?

(h) বংগদেশক কোনে কি কাৰণে দুভাগত বিভক্ত কৰে?

(i) কাউল উপাধি কেনেকৈ নেহৰু উপাধিত পৰিণত হ'ল?

Turn Over

## খ - শাখা

5. যিকোনো পাঁচটা খণ্ডবাক্য ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য ৰচনা কৰক- 1 x 5= 5

কাণে কাণ মাৰি, চিলিম চিগ, পেটে ভাতে খাই,
উকনি পুঙা, কলহৰ কাণে চলা, পানীত হাঁহ নচৰা,
মৰ্জীন পাতকী, বগলী ভকত

6. তলৰ সংজ্ঞাবোৰৰ যিকোনো পাঁচটাৰ বিপৰীত লিংগ লিখক - 1 x 5= 5

বাঘ, বান্দৰ, পাঠক, চেউৰী, গাভৰু, মাহী, ককা

7. ৰমেশ চৌধুৰী নামৰ ব্যক্তি এজনে বিক্ৰী কৰিবলৈ ওলোৱা ২ কঠা মাটিৰ 'বিক্ৰী দলিল' এখনৰ নমুনা প্ৰস্তুত কৰক। 5

FAS-01

K-40

8. তলৰ যিকোনো এটা বিষয় নির্বাচন কৰি ৰচনা এখন লিখক - 10

(ক) নিবনুৱা সমস্যা

(খ) ভাৰতৰ ঐক্য-সংহতি